# কোনে লোকপালৰ নিযুক্তি দিছে ?

দিনাংক - ২০ জানুৱাৰী ২০১৪

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

অৱশেষত ২০১৩ চনত লোকপাল আৰু লোকায়ুক্ত আইন গৃহীত কৰা হ'ল । ২০১৪ ৰ প্ৰথম ভাগতে ই ৰাষ্ট্ৰপতিৰ সমৰ্থন লাভ কৰিছিল আৰু তেতিয়াৰ পৰা কাৰ্য্যকৰী হৈ আছে । ব্যক্তিগত আৰু প্ৰশিক্ষণৰ বিভাগে লোকপালৰ পৰিচালক আৰু সদস্যৰ পদৰ বাবে আবেদন দাখিল কৰিব'লৈ ইতিমধ্যে বিজ্ঞাপন দিছে । বিজ্ঞাপনৰ লগতে যাম গাঠিঁ দিয়া হৈছে আৰু ইয়াত নীতি আৰু নিযুক্তি চৰ্ত্তাৱলীসমূহো লিখি দিয়া হৈছে ।

এই ব্যৱস্থা কোনে হাতত লৈছে ? বিজ্ঞাপনৰ পৰা নিকাভাৱে গম পোৱা গৈছে যে এই সমগ্ৰ কাম খিনি ব্যক্তিগত আৰু প্ৰশিক্ষণ বিভাগে হাতত লৈ পদ সমূহৰ বাবে আবেদন বিচাৰিছে । সংসদৰ দুই সদনে গ্ৰহন কৰা আইন অনুসৰি সেই বিভাগৰ এনে আবেদন বিচৰাৰ কোনো অধিকাৰ নাই ।

এই আইনখনৰ ৪ নং অনুচ্ছেদে ইয়াৰ সদস্যৰ নিযুক্তিৰ কথা উল্লেখ কৰিছে । ইয়াৰ বাবে এখন বিচাৰ কমিটি থাকিব লাগিব য'ত অন্তৰ্ভূক্ত হ'ব - প্ৰধানমন্ত্ৰী, লোকসভাৰ বক্তা, লোকসভাৰ বিৰোধী দ'লৰ নেতা, ভাৰতৰ মুখ্য ন্যায়ধীশ অথবা তেওঁ মনোনয়ন কৰা বিচাৰক আৰু এজন প্ৰতিষ্ঠিত আইনবিদ যাক আন চাৰিজন সদস্যই নিয়োগ কৰিব পাৰিব । আচৰিত যে আজি পৰ্য্যন্ত বিচাৰ কমিটিৰ এই ৪ জন সদস্য লগেই হোৱা নাই । প্ৰথমতে এই চাৰিজন লগ হৈ পঞ্চনজন সদস্য নিয়োগ কৰিব লাগিব । লোকপাল সদস্যৰ কমিটি গঠন কৰাৰ বাবে চিলেকছন কমিটিৰ ৫ জন সদস্য একত্ৰিত হোৱাৰ লগে লগে চাৰ্চ কমিটি গঠন কৰা হ'ব । এই চাৰ্চ কমিটিত ৭ জন বিভিন্ন দিশত নাম থকা ব্যক্তি সকল সদস্য হিচাপে থাকিব । এই চাৰ্চ কমিটিয়ে লোকপালৰ সদস্য আৰু চেয়ৰ পাৰচনৰ বাবে বহুতো নাম বাচি উলিয়ব আৰু উপযুক্ত সকলক নিযুক্তি দিব ।

অনুচ্ছেদ ৪(৪) ত উল্লেখ কৰা আছে যে, লোকপালৰ সদস্য আৰু চেয়াৰ পাৰচনৰ নিযুক্তিৰ প্ৰক্ৰিয় স্বচ্ছ হ'ব লাগে । চাৰ্চ কমিটিৰ প্ৰস্তাৱিত নাম সমূহৰ পৰা চিলেক্ট কমিটিয়ে প্ৰস্তাব কৰা ব্যক্তিক নিযুক্তি প্ৰদান কৰিব । চাৰ্চ কমিটিয়ে প্ৰস্তাৱ নকৰা ব্যক্তিকো চিলেক্ট কমিটিয়ে বাচিব পৰাৰ অধিকাৰ

আছে । নিযুক্তি কৰা ৮ জন ব্যক্তিৰ পৰা কমেও ৪ জন ব্যক্তি আইন ব্যৱস্থাৰ লগত জড়িত হ'ব লাগিব । সাধাৰণতে চেয়াৰ পাৰচনৰ বাবে নিযুক্তি পোৱা ব্যক্তি ভাৰতৰ মুখ্য ন্যায়ধীশ অথবা উচ্চতম ন্যায়লয়ৰ ন্যয়ধীশৰ পৰাহে হ'ব লাগিব ।

আজিলৈকে চিলেকছন কমিটিয়ে গঠন হোৱা নাই আৰু কোনো চাৰ্চ কমিটিও নাই । চিলেকছন কমিটিয়ে আজিলৈকে কোনো ব্যৱস্থা নিৰ্ধাৰণ কৰা নাই যাৰ দ্বাৰা তেওঁলোকে লোকপালৰ সদস্য আৰু চেয়াৰ পাৰচনৰ নিযুক্তি কৰিব । এনে গুৰুত্বপূৰ্ণ পদৰ পদবী যি এজন ভাৰতৰ ভূতপূৰ্ব মুখ্য ন্যায়ধীশ অথবা উচ্চতম ন্যায়লয়ৰ ন্যায়ধীশ হ'ব তেনে লোকৰ বাবে চাকৰিৰ আবেদন কৰাটো প্ৰয়োজনীয় নহ'ব । যি কি নহওঁক ইয়াৰ বাবে বিজ্ঞাপন দিব লাগে নে নালাগে তাৰো সিদ্ধান্ত কেৱল চিলেকছন কমিটিয়েহে কৰিব । চৰকাৰী আমোলা বিষয়াৰ এই ক্ষেত্ৰত কোনো অধিকাৰ নাই । এই অৱস্থাৰ পৰিবৰ্ত্তে ব্যক্তিগত আৰু প্ৰশিক্ষণ বিভাগে চিলেকছন কমিটিৰ ক্ষমতাক হস্তক্ষেপ কৰিছে কাৰণ এতিয়া পৰ্য্যন্ত চিলেকছন কমিটি সম্পূৰ্ণৰূপে গঠিত হোৱা নাই । এই পদৰ বাবে তেওঁলোকে ইতিমধ্যে আবেদন বিচাৰি বিজ্ঞাপন প্ৰচাৰ কৰিছে । উচ্চতম ন্যায়লয়ৰ পদত থকা অথবা অৱসৰপ্ৰাপ্ত ন্যায়ধীশে এনে পদৰ বাবে  আবেদন কৰিলে তেওঁলোকৰ সন্মান হানি হ'ব । অৱসৰপ্ৰাপ্ত ন্যায়ধীশসকলৰ বাবে এনে পদৰ বাবে আবেদন কৰাটো তেওঁলোকৰ মৰ্য্যদা আৰু সন্মানৰ লগত আপোচ কৰা হ'ব । চাকৰি বিচৰা ন্যায়ধীশ লোকপালৰ সদস্যৰ নিযুক্তিৰ বাবে উপযুক্ত ব্যক্তি নহ'ব । এনে ক্ষেত্ৰত চিলেকছন কমিটিয়ে সিদ্ধান্ত ল,ব লাগিব যে এই পদৰ বাবে আবেদন বিচাৰিব লাগেনে নালাগে । এই ক্ষমতা কেন্দ্ৰ চৰকাৰৰ স্বভাৱবিৰোধী । এইক্ষেত্ৰত বিজ্ঞাপন প্ৰচাৰ কৰাটো সম্পূৰ্ণৰূপে আইনবিৰোধী হৈছে । চিলেকছন কমিটিৰ মনোনিত ৪ জন সদস্য যেনে, প্ৰধানমন্ত্ৰী, লোকসভাৰ বক্তা, ভাৰতৰ মুখ্য ন্যায়ধীশ আৰু লোকসভাৰ বিৰোধী দ'লৰ নেতাক লৈ মই লিখিব বিচাৰিছো যে তেওঁলোকৰ কাৰ্য্যক্ষেত্ৰত ব্যক্তিগত আৰু প্ৰশিক্ষণ বিভাগে হস্তক্ষেপ কৰিছে । এনে আইনবিৰোধী বিজ্ঞাপন অতি সোনকালে উঠাই ল'ব লাগে ।